**অসম বিধান সভা**

**লিখিত প্ৰশ্ন নং – ১৭৬**

**বিষয়ঃ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আৰু সমৰ্থন মূল্য**

**বিধায়কঃ শ্ৰী মেহবুব মোক্তাৰঃ**

**উত্তৰ দিয়া তাৰিখঃ ০৯/০৭/২০২৬**

১৭৬। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ ও উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ধিং সমষ্টিত বৰ্তমানলৈকে কিমান সংখ্যক দৰিদ্ৰ পৰিয়ালে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত সূলভ মুল্যৰ ৰেচন কাৰ্ড লাভ কৰিছে ? চৰকাৰৰ তৰফৰ পৰা নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ বাবে কিবা পৰিকল্পনা কৰা হৈছে নেকি ? যদি হৈছে, বঞ্চিত পৰিয়াল সমূহে কেতিয়ালৈ এই কাৰ্ড লাভ কৰিবলৈ সক্ষম হ'ব ?

(খ) চৰকাৰে নিৰ্ধাৰণ কৰা নূন্যতম সমৰ্থন মূল্য (MSP) ত কৃষকৰ পৰা ধান ক্ৰয় কৰিবলৈ ধিং সমষ্টিত ধান ক্ৰয় কেন্দ্ৰ (PPC) কেইটা আছে ? এই কেন্দ্ৰ সমূহৰ জৰিয়তে বৰ্তমান ধান ক্ৰয় কৰা হৈছেনে ? যদি ক্ৰয় কৰা নাই, কেতিয়াৰ পৰা কৰিব ?

**উত্তৰ**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয় শ্ৰীযুত কৌশিক ৰায় দেৱে উত্তৰ দিবঃ

(ক) ধিং সমষ্টিটো বৰ্তমান নগাঁও আৰু মৰিগাঁও দুয়োখন জিলাৰ অন্তৰ্ভূক্ত। নগাঁও আৰু মৰিগাঁও জিলাৰ পৰা পোৱা তথ্য অনুসৰি ধিং সমষ্টিত ৰেচন কাৰ্ড লাভ কৰা দৰিদ্ৰ পৰিয়াল আৰু হিতাধিকাৰীৰ সংখ্যা তলত উল্লেখ কৰা ধৰণৰ-

| জিলাৰ নাম | ৰেচন কাৰ্ডধাৰী পৰিয়ালৰ সংখ্যা | হিতাধিকাৰীৰ সংখ্যা |
|---|---|---|
| নগাঁও | ৫৪,৫২৬ | ২,৩৫,৮১০ |
| মৰিগাঁও | ৫,৯৩৮ | ১৯,৬৬৬ |
| **সৰ্বমুঠ** | **৬০,৪৬৪** | **২,৫৫,৪৭৬** |

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত শেহতীয়াভাবে যোৱা জুন, ২০২৫ মাহত চৰকাৰৰ সিদ্ধান্ত অনুযায়ী অসমৰ প্ৰতিটো সমষ্টিৰ বাবে ৪,০০০ (চাৰি হাজাৰ) কৈ নতুন হিতাধিকাৰী বাচনি কৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত অন্তৰ্ভুক্ত কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছিল। সেইমতে, ধিং সমষ্টিটোও ৪,০০০ (চাৰি হাজাৰ) কৈ নতুন হিতাধিকাৰী বাচনি কৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত সামৰি লোৱাৰ প্ৰক্ৰিয়া যোৱা ফেব্ৰুৱাৰী, ২০২৬ মাহত সমাপ্ত হৈছে। এই প্ৰক্ৰিয়াৰ সমাপ্তিৰ পিছতো যদি কোনো যোগ্য দৰিদ্ৰ পৰিয়াল ৰেচন কাৰ্ড লাভ কৰাৰ পৰা বঞ্চিত হৈ ৰৈ গৈছে, তেনেকুৱা পৰিয়ালক চৰকাৰৰ সিদ্ধান্ত অনুসৰি পৰৱৰ্তী পৰ্যায়ত নতুনকৈ বাচনি কৰি সামৰি লোৱা হ'ব।

(খ) চৰকাৰে নিৰ্ধাৰণ কৰা নূন্যতম সমৰ্থন মূল্য (MSP) ত কৃষকৰ পৰা ধান ক্ৰয় কৰিবলৈ ধিং সমষ্টিত দুটা ধান ক্ৰয় কেন্দ্ৰ (PPC) আছে, সেইকেইটা ক্ৰমে নিজ-ধিং আৰু বটদ্ৰৱা (ধূপগুৰি)। এই কেন্দ্ৰ সমূহৰ জৰিয়তে বৰ্তমান ধান ক্ৰয় কৰি থকা হৈছে।

*****